# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 31-05-2025
**Time :** 18-00 Hrs

***Assamese EVENING Bulletin***

**::::::::::::::::::::::::::::::::**

বিগত কেইবাদিনো ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ বাবে উজনি অসমৰ কেইবাখনো জিলা বানৰ কবলত পৰিছে। লখিমপুৰ, গোলাঘাট, ডিব্ৰুগড় আৰু তিনিচুকীয়াৰ বহু অঞ্চল প্লাবিত হৈ পৰিছে। নিপকোৱে ৰঙানদীৰ পানী এৰি দিয়াৰ ফলত **লখিমপুৰৰ** বিস্তীৰ্ণ অঞ্চল বাঢ়নী পানীয়ে বুৰাইছে। গহপুৰত ডুবীয়া নৈৰ বাঢ়নী পানীয়ে মথাউৰিৰ এটা অংশ খহাই পেলোৱাত কেইবাখনো গাঁও বানৰ কবলত পৰিছে। **হোজাই** জিলা আয়ুক্তগৰাকীয়ে আজি বানপীড়িত অঞ্চল পৰিদৰ্শন কৰাৰ লগতে আশ্ৰয় শিবিৰ স্থাপন কৰা সন্দৰ্ভত পৰ্যালোচনা কৰে। কপিলী আৰু বৰাপানীৰ বাঢ়নী পানীয়ে কামপুৰৰ কচুৱাৰ বিভিন্ন অঞ্চল প্লাবিত কৰিছে। **গোলাঘাট** জিলাৰ নুমলীগড়ত কালিয়নী নৈৰ বাঢ়নী পানীয়ে বিস্তীৰ্ণ অঞ্চল বুৰাই পেলাইছে। ধাৰাষাৰ বৰষুণৰ ফলত **তিনিচুকীয়া** জিলাৰ গুইজানৰ নতুন গাঁৱৰ বিস্তীৰ্ণ অঞ্চল প্লাৱিত হৈছে। **ডিব্ৰুগড়** জিলাৰ চাবুৱা আৰু পূব ডিব্ৰুগড় ৰাজহ চক্ৰৰ চাৰিখন গাঁও বানৰ কবলত পৰিছে। **মাজুলীৰ** বিৰিণাবাৰী গাঁৱৰ ঠেকেলানী বিলৰ পাৰৰ কেইবা বিঘা বৰো ধানৰ খেতি বানে বুৰাই পেলাইছে। ব্ৰহ্মপুত্ৰ আৰু সোৱণশিৰিৰ জলপৃষ্ঠ বৃদ্ধি হোৱাত খেতি পথাৰ জলমগ্ন হৈ পৰিছে।

০০০০

অসম চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজী জিলাৰ জোনাইত বিকশিত কৃষি সংকল্প অভিযানৰ কাৰ্যসূচীত অংশ লৈ কৃষকসকলৰ সৈতে মত বিনিময় কৰে। তেওঁৰ আধুনিক সংস্কাৰৰ বিষয়ে উল্লেখ কৰি কৃষি কাৰ্যত বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰাত গুৰুত্ব আৰোপ কৰে। তদুপৰি চৰকাৰী আঁচনিসমূহ সফলভাৱে ৰূপায়ণ কৰিবলৈ কৃষকসকলক সহযোগিতা আগবঢ়াবৰ বাবে তেওঁ আহ্বান জনায়। অহা ১২ জুনলৈকে জিলাখনৰ ৫২ টা স্থানত হ'বলগীয়া এই অভিযানত অংশ ল'বলৈ সকলো কৃষকক মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। উল্লেখযোগ্য যে এই অভিযানত অংশগ্ৰহণকাৰী কৃষি বিজ্ঞানী, বিশেষজ্ঞ, বিভিন্ন বিভাগৰ বিষয়া আৰু প্ৰগতিশীল কৃষকৰ দলে কৃষিৰ আধুনিক প্ৰযুক্তি, দক্ষতা আৰু বিজ্ঞানভিত্তিক পৰিচালনা পদ্ধতিৰ বিষয়ে সজাগতা অনুষ্ঠানৰ আয়োজন কৰিছে।

যোৰহাট জিলাতো বিকশিত কৃষি সংকল্প অভিযানৰ কাৰ্যসূচী অনুষ্ঠিত হৈছে। জিলাখনৰ কলিয়াপানীত থকা কৃষি বিজ্ঞান কেন্দ্ৰত অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° বিদ্যুৎ চন্দন ডেকাই এই অভিযানৰ শুভাৰম্ভ কৰে। যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত আৰু জিলা প্ৰশাসন, কৃষি, মীন আৰু পশুপালন বিভাগৰ সহযোগত জিলাখনৰ পূবলাহিং গাওঁ পঞ্চায়তত অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত কেইবাগৰাকীও কৃষি বিশেষজ্ঞই ভাষণ দিয়ে।

০০০০

ধপাতমুক্ত এখন সুন্দৰ সমাজ গঢ়াৰ লক্ষ্যৰে আজি সমগ্ৰ বিশ্বৰ লগতে অসমতো বিশ্ব ধপাত বিৰোধী দিৱস উদযাপন কৰা হয়। ধেমাজি, গোলাঘাট, শিলচৰ আৰু হোজাই জিলাত ধূমপান বিৰোধী দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰা হয়। **ধেমাজিত** ধূমপান বিৰোধী দিৱস উপলক্ষে এটা সজাগতা সমদল উলিওৱা হয়। বাটৰ নাট প্ৰদৰ্শন কৰিও ধপাতজাতীয় সামগ্ৰীৰ ভয়াৱহতা সন্দৰ্ভত ৰাইজক সজাগ কৰা হয়। **গোলাঘাটৰ** শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ প্ৰাংগণৰ পৰা এই দিৱস উপলক্ষে সজাগতা সমদল উলিওৱা হয়। সমদলত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ বিষয়াসকলৰ লগতে কৰ্মচাৰী, জিএনএম, আশাকৰ্মী আৰু ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। সজাগতা সমদলৰ পাছত গোলাঘাট নগৰত স্বাস্থ্য বিভাগৰ তৰফৰ পৰা এখন বাটৰ নাট প্ৰদৰ্শন কৰা হয়। বিশ্ব ধপাত বিৰোধী দিৱসৰ অংশ হিচাপে মেৰাপানী জাতীয় বিদ্যালয়ত এখন সজাগতা সভা অনুষ্ঠিত হয়। জিলা আইনী সেৱা কৰ্তৃপক্ষৰ সহযোগিতাত অনুষ্ঠিত এই সভাত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে।

০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি শিৱসাগৰ জিলাৰ নাজিৰাত প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় ডায়েলাইছিছ ইউনিট এটা উদ্বোধন কৰে। নাজিৰাৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া অসামৰিক চিকিৎসালয় এই ইউনিটটো উদ্বোধন কৰা হয়। ডায়েলাইছিছ কেয়াৰ ইউনিটৰ জৰিয়তে নাজিৰা আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ জনসাধাৰণ উপকৃত হ'ব বুলি কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০

লেখিকা সংস্থা অসমে ২০০৯ চনৰ পৰা আদৰ্শ মাতৃ লাবন্য হাজৰিকাৰ স্মৃতিত প্ৰদান কৰি অহা আদৰ্শ মাতৃ বঁটা চলিত বছৰৰ বাবে ডুলিয়াজানৰ ৰীতা দত্তলৈ আগবঢ়োৱা হৈছে। গুৱাহাটীৰ লক্ষ্মীৰাম বৰুৱা সদনত অহা ২৯ জুনত আয়োজিত গাম্ভিৰ্য্যপূৰ্ণ অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক তথা অসম মহিলা বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য ড° মালিনী গোস্বামীয়ে এই বঁটা প্ৰদান কৰিব। উল্লেখযোগ্য যে আদৰ্শ মাতৃ বঁটা লাভ কৰা ৰীতা দত্ত কেইবাখনো গ্ৰন্থৰ প্ৰণেতা আৰু বহু সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত।

০০০০

চৰাইদেউ জিলাৰ সোণাৰীত অসাধু চক্ৰই ৰাজহ চক্ৰৰ কৰ্মচাৰীৰ নাম লৈ অনলাইন আবেদনৰ নামত ধন দাবী কৰা বিষয়টো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত দৃষ্টিগোচৰ হোৱাৰ পাছতেই সকলোকে সতৰ্ক হৈ থাকিবলৈ চক্ৰ বিষয়াই আহ্বান জনাইছে। চক্ৰ বিষয়া চৈতালী ৰাণী দত্তই শেহতীয়াকৈ জাৰি কৰা জাননী অনুসৰি এনেধৰণৰ অসাধু লোকৰ অভিসন্ধিৰ পৰা হাত সাৰিবলৈ কোনো অচিনাকী লোকৰ সৈতে অনলাইন লেনদেন নকৰিবলৈ আহ্বান জনোৱা হৈছে। চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পৰা অনলাইন আবেদন কৰাৰ কোনো ব্যৱস্থা নাই আৰু যিকোনো সেৱাৰ বাবে স্বীকৃতিপ্ৰাপ্ত সেৱা কেন্দ্ৰৰ জৰিয়তে আবেদন কৰিবলৈ বিষয়াগৰাকীয়ে আহ্বান জনাইছে।

০০০০

সমাপ্ত